ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কৰাৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধি মান্যকৰণ) অধিনিয়ম, ১৯৬৪

(১৯৬৪ ৰ ১১ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Taxation Laws (Continuation and validation of Recovery Proceedings) Act, 1964

(Act No. 11 of 1964)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান কৰাৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬৪ (১৯৬৪ৰ ১১ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৮২ৰ পৰা ৮৪ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব।

## PREFACE

This edition of the Taxation Laws Continuation and Validation of Recovery Procedings, 1964 (11 of 1964) Act, as on the Ist June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 82 to 84.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi<br>
Date 26.10.90,

V.S. RAMA DEVI,<br>
Secretary to the Govt. of India.

**কৰাৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬৪**

ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ

১। সংক্ষিপ্ত নাম।

২। পৰিভাষা।

৩। প্ৰচলন আৰু বিধিমান্যকৰণৰ বাবে কিছুমান কাৰ্যবাহী।

৪। অনুসূচী সংশোধনৰ ক্ষমতা।

৫। অধিনিয়মৰ ভূতলক্ষী প্ৰভাৱ থাকিব।

৬। অসুবিধাবোৰ আঁতৰাবলৈ ক্ষমতা।

৭। নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতা।

# কৰাৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬৪

১৯৬৪ চনৰ ১১ নং

**(১ জুন, ১৯৯০ তাৰিখে যথাবিদ্যমান)**

[১২ মে', ১৯৬৪]

**চৰকাৰৰ প্ৰাপ্য আৰু তাৰ লগত সংযোজিত বিষয়ৰ লগত সমন্বয় ৰাখি কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণৰ বাবে এখনি অধিনিয়ম।**

ভাৰত গণৰাজ্যৰ পঞ্চদশ বছৰত সংসদৰ দ্বাৰা তলত দিয়া ধৰণে অধিনিয়মিত হওক :—

সংক্ষিপ্ত নাম। ১। এই অধিনিয়মখনক কৰাৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬৪ বোলা হয়।

পৰিভাষা। **২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা আৱশ্যক নহ'লে,—**

(ক) 'কৰদাতা' এই সম্বন্ধে—

(i) ১৯৪০ চনৰ অতিৰিক্ত লাভজনক কৰ অধিনিয়ম বা ১৯৪৭ চনৰ বাণিজ্যিক লাভজনক কৰ অধিনিয়মে তেনেকুৱা এজন ব্যক্তিক বুজায়, যাৰ দ্বাৰা এই অধিনিয়ম অনুসৰি কৰ বা অন্য কোনো টকা পৰিশোধ কৰিব-লগীয়া হয়; (১৯৪০ চনৰ ১৫। ১৯৪৭ চনৰ ২১।)

(ii) ১৯৫৩ চনৰ সম্পত্তি শুল্ক অধিনিয়মে এজন ব্যক্তি হিচাবৰ বাবে দায়ী বা হিচাবৰ বাবে দায়ী ব্যক্তিক সেই অধিনিয়মত পৰিভাষিত কৰা মতে বুজায়; (১৯৫৩ চনৰ ৩৪।)

(iii) অন্য কোনো অনুসূচিত অধিনিয়মে সেই অধিনিয়মত পৰিভাষিত কৰা মতে এজন কৰদাতাক বুজায়;

(খ) কোনো অনুসূচিত অধিনিয়মৰ সমন্বয় ৰাখি, যি কোনো কৰদাতাই সেই অধিনিয়ম অনুসৰি কোনো কৰ, শুল্ক, দণ্ড, জৰিমনা, সুদ, বাৰ্ষিকী জমা বা অন্য কোনো চৰকাৰক দিবলগীয়া টকা বা ধনক চৰকাৰৰ প্ৰাপ্য বুজায়;

(গ) অনুসূচিত অধিনিয়ম মানে সেই অনুসূচীত উল্লিখিত এখন অধিনিয়ম;

(ঘ) কোনো অনুসূচিত অধিনিয়মৰ লগত সমন্বয় ৰাখি 'কৰ কৰ্তৃপক্ষ' মানে বুজায় এজন বিষয়াক (যি নামেৰেই নামাকৰণ নকৰক), যাৰ ওপৰত সেই অধিনিয়ম অনুসৰি চৰকাৰৰ প্ৰাপ্যৰ ক্ষেত্ৰত এজন কৰদাতাক দাবীৰ জাননী দিবলৈ ক্ষমতা দিয়া হয়;

(ঙ) কোনো অনুসূচিত অধিনিয়মৰ লগত সমন্বয় থকা 'কৰ আদায়কাৰী' বিষয়া' মানে সেই অধিনিয়মত বৰ্ণনা কৰা এজন কৰ আদায়কাৰী বিষয়া আৰু য'ত তেনেকুৱা কোনো উল্লেখ নাই তাত উক্ত বিষয়া মানে হ'ল—এজন বিষয়া (যি নামেৰেই নামাকৰণ নকৰক) যিজন বিষয়াই সেই অধিনিয়ম মতে বাকী থকা চৰকাৰৰ প্ৰাপ্য আদায়ৰ বাবে প্ৰমাণ-পত্ৰ প্ৰকাশ কৰিব পাৰে।

**প্ৰচলন আৰু বিধিমান্য-কৰণৰ বাবে কিছুমান কাৰ্য্যবাহী।**

৩। (১) কৰ কৰ্ত্তৃপক্ষই কোনো অনুসূচিত অধিনিয়ম অনুসৰি যেতিয়া চৰকাৰৰ কোনো প্ৰাপ্যৰ ক্ষেত্ৰত দাবীৰ জাননী কৰদাতাৰ ওপৰত জাৰি কৰে আৰু সেই দাবী কৰা চৰকাৰৰ প্ৰাপ্যৰ ক্ষেত্ৰত যদি কোনো আপীল বা অইন কোনো কাৰ্যবাহী দাখিল কৰে, তেতিয়া,—

(ক) তেনেকুৱা আপীল বা কাৰ্যবাহী য'ত সেই ধৰণৰ চৰকাৰৰ দাবী বা প্ৰাপ্যবোৰ বঢ়োৱা হয়, তেনেক্ষেত্ৰত কৰ কৰ্ত্তৃপক্ষই কৰদাতাৰ ওপৰত অন্য এখন দাবীৰ জাননী অকল সেই সংখ্যক ধৰণৰ ক্ষেত্ৰত জাৰি কৰিব, য'ত তেনেকুৱা চৰকাৰী প্ৰাপ্যবোৰ বঢ়োৱা হয় আৰু তেনেকুৱা যি কোনো চৰকাৰী প্ৰাপ্যৰ কাৰ্যবাহীৰ ক্ষেত্ৰত দিয়া দাবীৰ জাননী বা জাননীবোৰৰ দ্বাৰা কোনো নতুন দাবীৰ জাননী জাৰি নকৰাকৈ তেনেকুৱা আপীল বা কাৰ্য-বাহী শেষ হোৱাৰ আগতে আগত যিটো অৱস্থাত কাৰ্যবাহী চলি আছিল সেই অৱস্থাৰ পৰা আৰম্ভ হব ;

(খ) য'ত তেনেকুৱা চৰকাৰৰ দাবী বা প্ৰাপ্যবোৰ কমোৱা হৈছে তেনেকুৱা আপীল বা কাৰ্যবাহীত—,

(।) কৰদাতাৰ ওপৰত আৰোপিত কৰিবলৈ নতুন দাবী জাননীৰ বাবে দিবলৈ কৰ কৰ্ত্তৃপক্ষৰ প্ৰয়োজন নহব ;

(।।) কৰ কৰ্ত্তৃপক্ষই কৰদাতাক তেনেকুৱা হ্ৰাসকৰণৰ কথা জনাব লাগিব আৰু য'ত তেনেকুৱা মূলধন আদায়ৰ বাবে প্ৰমাণ পত্ৰ কৰ আদায়কাৰী বিষয়ালৈ প্ৰেৰণ কৰা হয়, সেইজন বিষয়ালৈকো জনাব লাগিব ;

(।।।) কোনো দাবীৰ জাননী বা জাননীবোৰৰ দ্বাৰা কৰদাতাৰ ওপৰত জাৰি কৰাৰ ভিত্তিত আৰম্ভ কৰা কাৰ্যবাহীত আগতে নিষ্পত্তি কৰা হোৱা তেনেকুৱা আপীল বা কাৰ্যবাহী সেই ধৰণে কমোৱা ধনৰ ওপৰত ঠিক তেনে কাৰ্যবাহীত শেষ কৰাৰ আগতে চলি থাকিব পাৰে ;

(গ) চৰকাৰী প্ৰাপ্য ধনৰ সম্পৰ্কত কোনো কাৰ্যবাহী (আৰোপিত দণ্ড বা নিৰ্দ্ধাৰিত সুতকে ধৰি) কৰদাতাৰ ওপৰত দাবীৰ জাননী জাৰি কৰা নোহোৱা বাবে অসিদ্ধ নহব এই কাৰণে যে— তেনে ধৰণৰ আপীল বা কাৰ্যবাহী শেষ কৰাৰ পিচত বা তেনে চৰকাৰী প্ৰাপ্য সেই আপীল বা কাৰ্যবাহীত বঢ়োৱা বা কমোৱাৰ বাবে :

পৰন্তু, চৰকাৰী প্ৰাপ্যৰ ক্ষেত্ৰত চূড়ান্ত হুকুম দিয়াৰ ফল স্বৰূপে (বছৰি জমা দিয়াৰ বাহিৰে) কৰদাতাই বাকী থকা কৰ আদায় দিব নোৱাৰাৰ বাবে দণ্ড প্ৰয়োগ কৰাত কমোৱা আৰু আদায় দিয়া মূল্যৰ ক্ষেত্ৰত যদি কমোৱা মূল্যখিনি দণ্ডতকৈ অতিক্ৰম কৰি যায় তেনেহলে অতিৰিক্তখিনি আদায় কৰা নহব আৰু ইতিমধ্যে যদি আদায় কৰা হয় তেতিয়া এই অধি-নিয়মত উল্লিখিত নিয়ম অনুসৰি সেই সময়ৰ ভিতৰত কৰ কৰ্ত্তৃপক্ষৰ ওচৰত দৰ্খাস্ত কৰিলে অতিৰিক্ত আদায় মূল্যখিনি কৰদাতাক ঘূৰাই দিয়া হব :

উপৰন্তু, যদি বছৰেকীয়া জমা দিয়াত ব্যৰ্থ হোৱা কাৰণে কৰদাতাৰ ওপৰত দণ্ডবিধান মূল্য ধাৰ্য কৰা হয় আৰু বছৰেকীয়া জমা আধা মূল্যতকৈ বাঢ়ি যোৱাত তেনেকুৱা হুকুম অনুসৰি আদায় দিবলগীয়া অতিৰিক্ত খিনি আদায় কৰা নহব আৰু যদি ইতিমধ্যে আদায় দিয়া হৈছে তেনেহলে এই অধিনিয়মত নিৰ্ণীত নিয়ম অনুসৰি কৰদাতাই কৰ কৰ্ত্তৃপক্ষৰ ওচৰত সেই সময়ৰ ভিতৰত কৰা দৰ্খাস্ত মৰ্মে কৰ দাতাক আদায় মূল্য ওভোতাই দিয়া হব :

উপৰন্তু, য'ত চৰকাৰী প্ৰাপ্য কমোৱাৰ ক্ষেত্ৰত কৰদাতাই কোনো মূল্য ঘূৰাই পাবলগীয়াৰ বাবদ কোনো আপীল বা কাৰ্যবাহী কৰে তেতিয়া সেই অধিনিয়মৰ ব্যৱস্থা অনুসৰি মূল্যখিনি ঘূৰাই পাব।

(২) সন্দেহ আঁতৰাবলৈ ইয়াৰ দ্বাৰা প্ৰকাশ কৰা যায় যে কোনো অনুসূচিত অধিনিয়ম অনুসৰি কোনো আপীল বা অন্য কাৰ্যবাহীত কোনো হুকুম প্ৰচলিত হোৱাৰ ফলস্বৰূপে, য'ত চৰকাৰী প্ৰাপ্যৰ মূল্য তাৰতম্য নহয় তেনে কোনো ক্ষেত্ৰতে নতুন দাবীৰ জাননী আৱশ্যক নহব।

(৩) কোনো আদালত, ন্যায়াধিকৰণ বা অন্য কোনো কৰ্তৃপক্ষৰ ৰায়, ডিক্ৰী বা হুকুম সত্ত্বেও এই ধাৰাৰ ব্যৱস্থাবোৰ ফলৱতী হব।

অনুসূচী সংশোধনৰ ক্ষমতা।

৪। কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা কোনো কৰ-ৰোপণ বা শুল্ক আৰোপণৰ কেন্দ্ৰীয় অধিনিয়ম অনুসূচীত সংযোগ কৰিব পাৰে আৰু তেনে কোনো অধিসূচনা জাৰিকৰণত তেনেদৰে সংযোজিত অধিনিয়ম ধাৰা ২ৰ খণ্ড (গ)ৰ অৰ্থত অনুসূচীত বিনিৰ্দিষ্ট অধিনিয়ম বুলি বিবেচিত হব।

অধিনিয়মৰ ভূতলক্ষী প্ৰভাৱ থাকিব।

৫। যদিও এই অধিনিয়ম আৰম্ভণিৰ আগতে বা পিচত কোনো অনুসূচিত অধিনিয়ম মতে কৰ কৰ্তৃপক্ষৰ দ্বাৰা কোনো কৰদাতাৰ ওপৰত কোনো দাবীৰ জাননী জাৰি কৰা হৈছে তথাপিও এই অধিনিয়মখনৰ ব্যৱস্থাবোৰ প্ৰয়োগ হব আৰু সদায় প্ৰয়োগ হোৱা বুলি বিবেচিত হব।

অসুবিধাবোৰ আঁতৰাবলৈ ক্ষমতা।

৬। এই অধিনিয়মৰ ব্যৱস্থাবোৰ কাৰ্যত পৰিণত কৰাত যদি কোনো অসুবিধা দেখা দিয়ে, সেই অসুবিধাবোৰ আঁতৰাবলৈ কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত শাসনবিধি প্ৰকাশনৰ দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যৰ লগত অসঙ্গত নোহোৱা ইয়াৰ মতে প্ৰয়োজনীয় বা উপযুক্ত বুলি ভবা ব্যৱস্থাবোৰ কৰিব পাৰে।

নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতা।

৭। (১) এই অধিনিয়মৰ উদ্দেশ্যবোৰ সফল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়মবোৰ প্ৰণয়ন কৰিব পাৰে।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যিমান সোনকালে সম্ভৱ হয়, অধিবেশন চলি থকা সময়ত, এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰা হব, আৰু যদিহে ইয়াক তেনেদৰে উপস্থাপন কৰা অধিবেশন বা অব্যৱহিত পিচৰ অধিবেশন বা ক্ৰমাগত অধিবেশন সমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মতি দিয়ে বা উভয় সদনে সন্মতি দিয়ে যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে সেই নিয়ম তাৰ পিছত কেৱল এনে সংশোধিত আকাৰত প্ৰভাৱী হব বা ক্ষেত্ৰবিশেষে একেবাৰেই প্ৰভাৱী নহব, তত্ৰাচ যাহওক, এনে কোনো সালসলনি বা বদুকৰণে—সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব।

অনুসূচী
[২ (গ) ধাৰা চাঁওক]

১। ভাৰতীয় আয়কৰ অধিনিয়ম, ১৯২৫ (১৯২৫ চনৰ ২২)।
২। অতিৰিক্ত আয়কৰ অধিনিয়ম, ১৯৪০ (১৯৪০ চনৰ ১৫)।
৩। বাণিজ্যিক আয়কৰ অধিনিয়ম, ১৯৪৭ (১৯৪৭ চনৰ ২১)।
৪। সম্পত্তি শুল্ক অধিনিয়ম, ১৯৫৩ (১৯৫৩ চনৰ ৩৪)।
৫। সম্পত্তি কৰ অধিনিয়ম, ১৯৫৭ (১৯৫৭ চনৰ ২৭)।
৬। ব্যয়কৰণ কৰ অধিনিয়ম, ১৯৫৭ (১৯৫৭ চনৰ ২৯)।
৭। দান কৰ অধিনিয়ম, ১৯৫৮ (১৯৫৮ চনৰ ১৮)।
৮। আয়কৰ অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ ৪৩)।
৯। অধি আয়কৰ অধিনিয়ম, ১৯৬৩ (১৯৬৩ চনৰ ১৪)।

কৰৰোপণ বিধি (আদায় কাৰ্যবাহীবোৰ প্ৰচলিত আৰু বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬৪

# THE TAXATION LAWS (CONTINUATION AND VALIDATION OF RECOVERY PROCEEDINGS) ACT, 1964.

## Glossary of Terms

## পৰিভাষা

| Reference | English Term | Assamese Equivalent |
|---|---|---|
| 1. | Taxation Law | কৰাৰোপণ বিধি |
| 2 (d) | Taxing Authority | কৰ কৰ্তৃপক্ষ |
| 2 (e) | Tax Recovery officer | কৰ আদায়কাৰী বিষয়া |
| 3(b) (i) | Notice of demand | দাবী জাননী |
| 3 (c) | Proceedings | কাৰ্যবাহী |
| 4. | Notification | অধিসূচনা |
| 4. | specified | বিনির্দিষ্ট |
| 5. | To apply | প্ৰয়োগ হব |
| 6 | order | শাসন বিধি । |
| 7. | Annulment | বদ্‌কৰণ |